
# পাঠ - ১১

আকৃতি চাই কোনটো পাত্ৰত আটাইতকৈ বেছি পানী ধৰে (✓) চিন দিয়া









## ঘেৰ দিওঁ আহা


এটা বটলত ৩ গিলাচ পানী ধৰে।



দুটা বটলত কেইগিলাচ পানী ধৰিব ঘেৰ দিয়া।



তিনিটা বটলত কেইগিলাচ পানী ধৰিব ঘেৰ দিয়া।



চাৰিটা বটলত কেইগিলাচ পানী ধৰিব ঘেৰ দিয়া।



## জুখি চাওঁ আহা

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক দুটা দলত ভাগ কৰক। এটা দলক বাল্টি এটাত একে জোখৰ বটলেৰে পানী ভৰাবলৈ দিব। সেই একেটা বাল্টি খালী কৰি এইবাৰ আনটো দলক একে জোখৰ মগেৰে পানী ভৰাবলৈ দিব।*

বাল্টিটো ভৰিবলৈ কেইবটল পানী লাগিল?



.................. বটল

বাল্টিটো ভৰিবলৈ কেইমগ পানী লাগিল?



.................. মগ

### আমি কি বুজিলো

বেলেগ বেলেগ পাত্ৰ যেনে- বটল বা মগেৰে এটা নিৰ্দিষ্ট জোখৰ পাত্ৰ পানীৰে পূৰাওঁতে পানীৰে ভৰা বটলৰ সংখ্যা আৰু পানীৰে ভৰা মগৰ সংখ্যা বেলেগ বেলেগ হয়।

**কম পানী ধৰা পাত্ৰৰ পৰা বেছি পানী ধৰা পাত্ৰবোৰৰ তলত ১ৰ পৰা ৪ লৈ ক্ৰম অনুযায়ী সংখ্যা লিখা**













পানীৰ নিজা আকাৰ নাই। যি পাত্ৰতে থোৱা যায় পানীয়ে সেই পাত্ৰৰে আকাৰ লয়।



তলৰ ছবিবোৰত কি বস্তু জুখিছে আৰু কিহেৰে জুখিছে চাওঁ আহা




জুলীয়া বস্তুক লিটাৰ বা মিলিলিটাৰত জোখা হয়।
জুলীয়া বস্তু জোখা পাত্ৰবিলাক কেনেধৰণৰ হয় চাওঁ আহা



জানি লওঁ আহা

১ লিটাৰ = ১০০০ মিলিলিটাৰ

পাত্ৰবোৰ চাই মিলোৱা



২ লিটাৰ

২০০ মিলিলিটাৰ

১ লিটাৰ

১০ লিটাৰ

## তলৰ তালিকাখন পূৰ কৰোঁ আহা

(অভিভাৱকৰ সহায় লৈ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ঘৰত এসপ্তাহত ব্যৱহাৰ হোৱা বিভিন্ন বস্তুৰ আনুমানিক পৰিমাণৰ তালিকা কৰিব)

| গাখীৰ | খোৱা পানী | মিঠাতেল | ৰিফাইন তেল | কেৰাচিন তেল | পেট্ৰ'ল |
|---|---|---|---|---|---|
| | | | | | |

## তলৰ তালিকাখন পূৰ কৰোঁ আহা (দলগতভাৱে)

| বস্তু | পৰিমাণ | কি পৰিমাণৰ পাত্ৰৰে জুখিম | কেইবাৰ ল'ম |
|---|---|---|---|
| পানী | ৪ লিটাৰ | ১ লিটাৰ | ৪ বাৰ |
| গাখীৰ | ২ লিটাৰ | ৫০০ মিলিলিটাৰ | ........................... |
| মিঠাতেল | ১ লিটাৰ | ৫০০ মিলিলিটাৰ | ........................... |
| কেৰাচিন | ৫ লিটাৰ | ১ লিটাৰ | ........................... |
| পেট্ৰ'ল | ৭ লিটাৰ | ১ লিটাৰ | ........................... |



## ডুলিবোৰ ধানেৰে পূৰ কৰা

'ক' ডুলিটোত ১০ **খৰাহি** ধান ধৰে।

'খ' ডুলিটোত ২০ **খৰাহি** ধান ধৰে।

- সঠিক ডুলি দুটা 'ক' আৰু 'খ' ৰে চিহ্নিত কৰা।
- কোনটো ডুলি ডাঙৰ? ..........।
- যদি **পাচিৰে** ধান ভৰাওঁ তেনেহ'লে ৫ পাচি ধানেৰে 'ক' ডুলিটো ভৰে।
- 'খ' ডুলিটো ভৰাবলৈ কেইপাচি ধান লাগিব? ..................।